Neelgagan
Date:
Page No.

দৈনিক জনমভূমি ৫/৮

# চমকঙৰ এন আৰ চি কেন্দ্ৰত চুৰিকাণ্ড

চিমেন চাপৰি ঃ নিজা বাতৰি দিওঁতা, ৪ আগষ্ট ঃ সমগ্ৰ অসমত এন আৰ চি উন্নীতকৰণৰ কাম তীব্ৰতৰ ৰূপত চলি থকাৰ সময়তে ৩ আগষ্টৰ নিশা চমকং এন আৰ চি কেন্দ্ৰত চুৰি কাৰ্য সংঘটিত হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণী মতে, ২ জুলাইৰ নিশা প্ৰায় এক বজাত কেন্দ্ৰটোৰ খিৰিকী ভাঙি এটা লেটপট, দুটা মনিটৰ, এটা প্ৰিণ্টাৰ, এটা জেনেৰেটৰ চোৰে লৈ যায়। এন আৰ চি কেন্দ্ৰটোত নিশা পহৰাদাৰী হিচাপে প্ৰথম কম্পিউটাৰ অপৰাটেৰ বিশ্বজিৎ দাৰ কৰ্মৰত আছিল যদিও সেই দিনা নিশা বাৰ বজালৈ কেন্দ্ৰটোত কৰ্তব্য পালন কৰি গুচি যায়। উল্লেখযোগ্য যে বিশ্বজিৎ দাৰক বিভাগে পহিলা এপ্ৰিলত পাঁচ মাহৰ বাবে দুহাজাৰ টকা দৰমহাৰ নিৰিখত নিযুক্তি দিয়ে যদিও বৰ্তমানলৈ কোনো দা-দৰমহা লাভ কৰা নাই বুলি জানিব পৰা গৈছে। আনহাতে এন আৰ চি সেৱা কেন্দ্ৰটো সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিশেষকৈ বিদ্যুৎ যোগানৰ মাচুল, উন্নত যন্ত্ৰপাতি, সুৰক্ষাকে ধৰি যাৱতীয় জৰুৰী বিষয়সমূহৰ প্ৰতি বিভাগৰ উৰ্ধ্বতন কৰ্তৃপক্ষই অৱহেলা কৰি অহা বুলিও এন আৰ চিৰ কামত নিয়োজিত কৰ্মীসকলে অৱগত কৰে। বিভাগে যোগান ধৰা যন্ত্ৰপাতিবোৰৰ সঘনাই বিজুতি ঘটাৰ লগতে চমকং এন আৰ চি-কেন্দ্ৰত প্ৰ-পত্ৰ পূৰণ কৰিব লগা প্ৰায় পাঁচ হাজাৰ পৰিয়ালৰ বিপৰীতে মাত্ৰ দুগৰাকী কম্পিউটাৰ অপাৰেটৰ নিয়োগ কৰাৰ ফলত বৰ্তমানলৈকে মাত্ৰ ছশ পৰিয়ালৰহে প্ৰ-পত্ৰ পূৰণৰ কাম হাতত ল'ব পাৰিছে। প্ৰণিধানযোগ্য যে চুৰি কাৰ্য সংঘটিত হোৱা ঘটনাৰ বুজ ল'বলৈ কেন্দ্ৰটোত বিভাগৰ চক্ৰ প্ৰকল্প পৰ্যবেক্ষক বিনয় মিছং উপস্থিত হৈ চুৰি হোৱা যন্ত্ৰপাতি, সা-সামগ্ৰীসমূহ তৎকালে যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব বুলি আশ্বাস দিয়ে। ঘটনাস্থলীত চিমেন চাপৰি আৰক্ষী থানাৰ আৰক্ষীৰ দল গৈ চৰজমিন তদন্ত কৰি এটা গোচৰ ৰুজু কৰিছে। জি এন এছ এমৰ চমকং আঞ্চলিকৰ সভাপতি কান্দা টায়েং, সম্পাদক বিনোদ বড়ো, টি এম পি কে চমকং আঞ্চলিক প্ৰমুখ্যে স্থানীয় ৰাইজে দোষীক কৰায়ত্ত কৰি শাস্তি দিবলৈ দাবী জনাইছে।